# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 11-04-2025 **Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ দৰিদ্ৰ আৰু বঞ্চিত লোকসকলৰ উন্নয়নৰ বাবে বৰ্তমান চৰকাৰে সবকা সাথ, সবকা বিকাশ মন্ত্ৰৰ নীতিৰে আৰু সেৱাৰ মনোভাৱেৰে কাম কৰি আছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে ২০২৬ চনত হ'বলগীয়া তামিলনাডুত বিধানসভা নিৰ্বাচনত বিজেপিয়ে এ আই এ ডি এম কেৰ মিত্ৰজোঁটৰ সৈতে মিলিত হৈ অৱতীৰ্ণ হ'ব।

৩। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে ভাৰত আৰু ইটালীয়ে বিভিন্ন ক্ষেত্ৰত ফলপ্ৰসূ সহযোগিতাৰ বাবে এটা উমৈহতীয়া কৌশলগত সম্বন্ধ স্থাপনৰ দিশত কাম কৰি আছে।

৪। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাই Su-30 MKI যুঁজাৰু বিমানৰ পৰা সফলতাৰে দীৰ্ঘ দূৰত্বৰ গ্লাইড বোম্ব গৌৰৱৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে আৰতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ দৰিদ্ৰ আৰু বঞ্চিত লোকসকলৰ উন্নয়নৰ বাবে বৰ্তমান চৰকাৰে সবকা সাথ, সবকা বিকাশ মন্ত্ৰৰ নীতিৰে আৰু সেৱাৰ মনোভাৱেৰে কাম কৰি আছে। শ্ৰীমোদীয়ে আজি মধ্য প্ৰদেশৰ অশোক নগৰ জিলাৰ ইছাগড় অঞ্চলৰ আনন্দপুৰ ধামত ভক্তসকলক সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিসমূহৰ কথা শ্ৰীমোদীয়ে কয় যে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনা, আয়ুষ্মান যোজনা, প্ৰধানমন্ত্ৰী আৱাস যোজনা, জল জীৱন মিছন আদিয়ে সমাজৰ বঞ্চিত আৰু দৰিদ্ৰ লোকসকলৰ জীৱন ধাৰণ সুগম কৰি তুলিছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে দেশৰ সকলো শ্ৰেণীৰ লোকৰ কল্যাণৰ বাবে সেৱাৰ মনোভাৱেৰে কাম কৰি আছে। পৰিৱেশ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি **এক পেড় মা কে নাম** শীৰ্ষক অভিযানৰ কথাও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী ডঃ মোহন যাদৱ, কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু বিজেপিৰ ৰাজ্যিক সভাপতি ভি ডি শৰ্মা উপস্থিত থাকে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে আনন্দপুৰ ধামত থকা গুৰুজী মহাৰাজ মন্দিৰত পূজা-অৰ্চনা কৰে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে ২০২৬ চনত হ'বলগীয়া তামিলনাডুত বিধানসভা নিৰ্বাচনত বিজেপিয়ে এ আই এ ডি এম কেৰ মিত্ৰজোঁটৰ সৈতে মিলিত হৈ অৱতীৰ্ণ হ'ব। চেন্নাইত আজি সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত তামিল শিক্ষাৰ্থীসকলক

তামিল ভাষাত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুবিধা প্ৰদান কৰিছে। তেওঁ ডি এম কে চৰকাৰে তামিল শিক্ষাৰ্থীসকলক চিকিৎসা আৰু অভিযান্ত্ৰিক শিক্ষাৰ পাঠ্যক্ৰম নিজৰ মাতৃভাষাত অধ্যয়ন কৰাৰ বাবে অনুমতি প্ৰদান কৰা নাই বুলি সমালোচনা কৰে। তেওঁ লগতে ডি এম কে আৰু কংগ্ৰেছ দলে জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ প্ৰতি গুৰুত্ব আৰোপ নকৰি কেৱল নিজৰ কাৰ্যসূচী অনুসৰণ কৰে বুলি সমালোচনা কৰে। শ্ৰীশ্বাহে মুখ্যমন্ত্ৰী এম কে ষ্টেলিনক তেওঁৰ চৰকাৰৰ ৩৯ হাজাৰ ৬৬৫ কোটি টকাৰ সুৰা কেলেংকাৰিৰ সন্দৰ্ভত জবাবদিহী হ'ব লাগে বুলি দাবী জনায়।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এছ জয়শংকৰে কয়, যে চৰকাৰে ব্যৱসায় কৰাটো সহজ কৰা, জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা আৰু গতিশক্তি পদক্ষেপৰ জৰিয়তে আধুনিক আন্তঃগাঁথনি নিৰ্মাণ কৰাৰ বাবে এটা শক্তিশালী ৰাজহুৱা ডিজিটেল আন্তঃগাঁথনি গঢ়ি তুলিছে। নতুন দিল্লীত আজি ভাৰত আৰু ইটালীৰ ব্যৱসায় সম্পৰ্কীয় বিজ্ঞান আৰু প্ৰযুক্তি মঞ্চত ভাষণ দি তেওঁ কয় যে এনে ধৰণৰ পদক্ষেপে সুপ্ৰশাসন অধিক উন্নত কৰিব আৰু বিশ্বৰ প্ৰেক্ষাপটত ব্যৱসায়িক অংশীদাৰ হিচাপে ভাৰতৰ প্ৰতি অধিক আকৰ্ষণ বৃদ্ধি কৰিব। শ্ৰীজয়শংকৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইটালীৰ ৰাষ্ট্ৰপতি উৰ্ছুলা ভন ডেৰ লেয়েনে ইউৰোপীয় আয়োগৰ কলেজ অব কমিচনাৰ্ছ ভ্ৰমণৰ বিষয়ে উল্লেখ কৰি কয় যে চলিত বৰ্ষৰ অন্তিম ভাগত দুয়োপক্ষৰ মাজত মুক্ত বাণিজ্য চুক্তি সম্পাদন হ'ব।

অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে কেন্দ্ৰীয় চৰকাৰে ইউৰোপীয় সংঘৰ সৈতে মুক্ত বাণিজ্য চুক্তি খৰতকীয়াকৈ সম্পাদনৰ বাবে কাম অব্যাহত ৰাখিছে। তেওঁ কয় যে ইউৰোপীয় সংঘৰ দেশসমূহৰ বাবে ভাৰত এখন সম্ভাৱনাময় বজাৰ হিচাপে উদ্ভাসিত হৈ উঠিছে। তেওঁ কয় যে বৰ্তমান সময়ত গোলকীয় বজাৰৰ বাবে ভাৰতীয় সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰাৰ সুযোগ আছে। শ্ৰীগোৱেলে লগতে কয়, যে ২০২৫ৰ পৰা ২০২৯ বৰ্ষৰ ভাৰত আৰু ইটালীৰ যুটীয়া কৌশলগত কাৰ্য পৰিকল্পনাই দুয়োখন দেশক সমৃদ্ধিশালী কৰি তুলিব। অনুষ্ঠানত ইটালীৰ উপ-প্ৰধানমন্ত্ৰী এণ্টনিঅ' টাজানিয়ে কয় যে বিপুল সম্ভাৱনাৰে উদ্ভাসিত অৰ্থব্যৱস্থা হিচাপে ভাৰত পৰিগণিত হৈছে। তেওঁ কয় যে ইটালীয়ে ভাৰতৰ সৈতে অধিক শক্তিশালী সহযোগিতা গঢ়ি তুলিব বিচাৰে।

০০০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে ভাৰত আৰু ইটালীয়ে বিভিন্ন ক্ষেত্ৰত ফলপ্ৰসূ সহযোগিতাৰ বাবে এটা উমৈহতীয়া কৌশলগত সম্বন্ধ স্থাপনৰ দিশত কাম কৰি আছে। নতুন দিল্লীত আজি সন্ধিয়া ইটালীৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এণ্টনিঅ' টাজানিৰ সৈতে এখন যুটীয়া সংবাদমেলত শ্ৰীগোৱেলে কয় যে উমৈহতীয়া কৌশলগত সম্বন্ধই দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্যিক সহযোগিতা অধিক বৃদ্ধি কৰিব আৰু এই পৰিমাণ ১৫ বিলিয়ন ডলাৰলৈ বৃদ্ধি হ'ব। তেওঁ লগতে কয় যে দুয়োখন দেশৰ মাজত ব্যৱসায়, বিজ্ঞান, প্ৰযুক্তি, উদ্ভাৱন আৰু শিক্ষাকে ধৰি বিভিন্ন সহযোগিতা অব্যাহত আছে। শ্ৰীগোৱেলে দুয়োখন দেশৰ মাজত গভীৰ সম্বন্ধ ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্যিক চুক্তি অনুযায়ী দুয়োখন দেশৰ মাজত ব্যৱসায় সম্প্ৰসাৰণ হ'ব। তেওঁ লগতে পৰ্যটন, মহাকাশ প্ৰযুক্তি, প্ৰতিৰক্ষা উৎপাদন, জাহাজ নিৰ্মাণ আদি ক্ষেত্ৰত ব্যাপক সহযোগিতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ইটালীৰ উপ-প্ৰধানমন্ত্ৰীগৰাকীয়ে আজিৰ দিনটো দুয়োখন দেশৰ মাজৰ সম্বন্ধৰ এটা গুৰুত্বপূৰ্ণ দিন বুলি মন্তব্য কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে পৰ্তুগাল আৰু শ্লোভাকিয়া ভ্ৰমণ সফলতাৰে সামৰি স্বদেশলৈ বুলি ৰাওনা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে নতুন দিল্লীলৈ উভতি অহাৰ পূৰ্বে শ্লোভাকিয়াৰ ব্ৰাটিশ্লাভাত ভাৰতীয় ব্যৱসায়িক প্ৰতিনিধিৰ সৈতে এখন বৈঠকত মিলিত হয়।

০০০০০০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাই Su-30 MKI যুঁজাৰু বিমানৰ পৰা সফলতাৰে দীৰ্ঘ দূৰত্বৰ গ্লাইড বোম্ব গৌৰৱৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি এই পৰীক্ষণত ১০০ কিলোমিটাৰ দূৰত্বৰ লক্ষ্য সফলতাৰে অতিক্ৰম কৰে। গৌৰৱ হৈছে এহেজাৰ কিলোগ্ৰামৰ এটা বিশেষ গ্লাইড বোম্ব আৰু ইয়াক ইমাৰট গৱেষণা কেন্দ্ৰ, ছান্দিপুৰৰ প্ৰতিৰক্ষা সঁজুলি গৱেষণা আৰু উন্নয়ন সংস্থা আৰু সংহত পৰীক্ষণ কেন্দ্ৰত থলুৱাভাৱে বিকশাই তোলা হৈছে। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা আৰু ভাৰতীয় বায়ু সেনা বাহিনীৰ বিষয়াসকলে এই পৰীক্ষণ প্ৰত্যক্ষ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই সাফল্যৰ বাবে প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা আৰু ভাৰতীয় বায়ুসেনা বাহিনীক প্ৰশংসা কৰিছে। তেওঁ কয় যে দীৰ্ঘ দূৰত্ব ভেদি এই গ্লাইড বোম্বে পৰৱৰ্তী সময়ত দেশৰ প্ৰতিৰক্ষা বাহিনীসমূহৰ সামৰ্থ্য বৃদ্ধি কৰিব। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থাৰ অধ্যক্ষ ড০ সমীৰ ভি কামাটেও এই সাফল্যৰ বাবে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০০০

দেশৰ অখণ্ডতাৰ প্ৰতি আস্থা প্ৰকাশ কৰি সন্ত্ৰাসবাদী গোট হুৰিয়াতৰ কাৰ্যকলাপৰ সৈতে জড়িত জম্মু-কাশ্মীৰৰ এটা বিচ্ছিন্নতাবাদী গোটে মূলসুঁতিলৈ ঘূৰি আহিছে। দেশৰ সংবিধানৰ প্ৰতি আস্থা প্ৰকাশ কৰি হুৰিয়াতৰ লগত জড়িত কমেও ১২টা গোটে তেওঁলোকৰ বিচ্ছিন্নতাবাদী কাম-কাজ বন্ধ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁলোকৰ সিদ্ধান্তক আদৰণি জনাইছে। তেওঁ কয় যে বৰ্তমান চৰকাৰৰ দিনত জম্মু-কাশ্মীৰত একতাৰ ছবি দেখিবলৈ পোৱা গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ দৃষ্টিভংগীৰ প্ৰতি এয়া এটা বিজয় বুলি তেওঁ উল্লেখ কৰে। বিগত সপ্তাহত দা জম্মু-কাশ্মীৰ ইছলামিক পলিটিকেল পাৰ্টি, দা জম্মু এণ্ড কাশ্মীৰ মুছলিম ডেমক্ৰেটিক লীগ আৰু দা কাশ্মীৰ ফ্ৰীডম ফ্ৰণ্টে হুৰিয়াতৰ পৰা নিজকে পৃথক কৰিছে।

০০০০০০০০০

জম্মু-কাশ্মীৰ আৰক্ষীয়ে আজি পুঞ্চ জিলাৰ বাগ্যাল দাৰা গাঁৱত সন্ত্ৰাসবাদী কাম-কাজৰ লগত জড়িত এজন লোকৰ বাসগৃহ নিজৰ জিম্মাত লয়। অভিযুক্ত মহম্মদ বছিৰ নামৰ লোকজন পুঞ্চ আৰক্ষী থানাত ৰুজু কৰা এটা গোচৰত অভিযুক্ত হৈ আছিল। তেওঁক পাক অধিকৃত জম্মু-কাশ্মীৰত কৰায়ত্ত কৰা হৈছিল।

০০০০০০০০০

বাজাজ অটো লিমিটেডৰ পূৰ্বৰ উপ-সভাপতি মধুৰ বাজাজৰ আজি পুৱা মুম্বাইৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৩ বছৰ। শাৰিৰীক সমস্যাৰ বাবে কিছুদিন পূৰ্বে তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কেন্দ্ৰীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীযুষ গোৱেলে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। চেন্নাই ছুপাৰ কিংছৰ অধিনায়ক মহেন্দ্ৰ সিং ধোনীয়ে আই. পি. এলৰ এইবাৰৰ সংস্কৰণৰ বাকী খেল কেইখনত পূৰ্ণকালীন অধিনায়ক ৰুতুৰাজ গায়কোৱাডৰ স্থান ল'ব বুলি ঘোষণা কৰিছে। গায়কোৱাডক কিলাকুটিৰ আঘাতৰ বাবে বাকী কেইখন খেলৰ পৰা বাদ দিয়া হৈছে।

০০০০০০০০০

সমাপ্ত